# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 23-12-2024

**Time :** 1715 Hrs

***Assamese Evening Bulletin***

সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে ৩১ খন জিলাত তত্বাৱধায়ক আৰু সহ-তত্বাৱধায়কক নিযুক্তি দিছে। তত্বাৱধায়কৰ দায়িত্ব দিয়া সকলৰ ভিতৰত ভালে কেইগৰাকী কেবিনেট মন্ত্ৰী আছে। নিৰ্বাচন পৰিচালনা সমিতিৰ আহ্বায়ক হিচাপে প্ৰাক্তন সাংসদ পল্লৱ লোচন দাসক দায়িত্ব অৰ্পণ কৰা হৈছে। ইস্তাহাৰ সমিতিৰ আহ্বায়ক পদত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক নিযুক্তি দিয়া হৈছে। নিৰ্বাচন পৰিচালনা সমিতি আৰু ইস্তাহাৰ সমিতিত সহ-আহ্বায়ক আৰু সদস্য হিচাপে ভালে কেইগৰাকী জ্যেষ্ঠ বিজেপি নেতাক দায়িত্ব দিয়া হৈছে।

০০০০০

বৰদিনলৈ মাজত এদিন বাকী থকা অৱস্থাত উত্তৰ পূৰ্বাঞ্চলৰ খ্ৰীষ্টধৰ্মী ৰাজ্যসমূহত বৰদিনৰ আনন্দোল্লাস আৰম্ভ হৈছে। এই উপলক্ষে গীৰ্জাঘৰৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙী ফুল, তৰা, খ্ৰীষ্টমাছ ট্ৰী আৰু আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। কাইলৈ মাজনিশাৰ পৰা গীৰ্জাসমূহত বৰদিনৰ বিশেষ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰল পৰিৱেশন কৰা হ'ব। প্ৰভু যীশুৰ প্ৰশংসা আৰু স্তুতি গীতেৰে ইতিমধ্যে গীৰ্জাসমূহ মুখৰ হৈ পৰিছে। বৰদিন উপলক্ষে শ্বিলঙৰ পুলিচ বজাৰকে ধৰি বিভিন্ন অঞ্চলত শীতক নেওচি উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। বৰদিনৰ আনন্দোৎসৱৰ অংশ হ'বলৈ ৰাজ্যখনলৈ পৰ্যটকৰ ভিৰ বৃদ্ধি পাইছে। শ্বিলঙৰ কেথেড্ৰেল অৱ মেৰী হেল্প অৱ খ্ৰীষ্টিয়ানছ, অল চেইণ্টছ কেথেড্ৰেল, শ্বিলং বেপ্টিষ্ট চাৰ্চ আদিকে ধৰি অন্যান্য গীৰ্জাঘৰসমূহ সুন্দৰভাৱে সজাই পৰাই তোলা হৈছে। বৰদিন উপলক্ষে নাগালেণ্ডৰ কোহিমাকে দৰি অন্যান্য চহৰ তথা পাৰ্বত্য অঞ্চলসমূহত ব্যাপক উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। কোহিমা, ডিমাপুৰ, মুককচুং আদি চহৰৰ আবাসীসমূহে পাৰম্পৰিক খাদ্যৰ পৰা আৰম্ভ কৰি বিভিন্ন আলোকসজ্জাৰে থলুৱা নগা সংস্কৃতি আৰু পৰম্পৰাৰ আভাসেৰে নিজৰ বাসগৃহসমূহ সজাই তুলিছে। মণিপুৰতো বৰদিনৰ প্ৰস্তুতি ব্যাপকভাৱে চলিছে। এই উপলক্ষে আইজলৰ টেক্সিচালকসকলে এই দিনকেইটাত বিনামূলীয়া সেৱা আগবঢ়োৱাৰ বাতৰি পোৱা গৈছে।

ৰাজ্যৰ অন্যান্য জিলাসমূহৰ লগতে ধুবুৰী আৰু বিলাসীপাৰাত খ্ৰীষ্টধৰ্মী লোকসকলৰ মাজত বৰদিনক লৈ উছাহ পৰিলক্ষিত হৈছে। ধুবুৰী জিলাৰ দেবীতলা, বিলাসীপাৰাৰ লগতে চাপৰৰ গীৰ্জাসমূহত বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে। আজিৰে পৰা গীৰ্জাসমূহত খ্ৰীষ্টধৰ্মী লোকসকলৰ লগতে অন্য ধৰ্মৰ লোকসকলেও ভিৰ কৰা পৰিলক্ষিত হৈছে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰাত বৰদিন পালনৰ বাবে ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী

লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। একেদৰে বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিনৰ আয়োজন চলিছে।

০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত প্ৰশিক্ষণ লাভ কৰা এহেজাৰ ৯৪৬ আৰক্ষী জোৱানে আজি দীক্ষান্ত কুচ-কাৱাজত অংশগ্ৰহণ কৰে। অসম আৰু মণিপুৰৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে এই কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। কুচ-কাৱাজৰ সামৰণিত ৰাজ্যপাল আচাৰ্যই এই জোৱানসকলক কৰ্তব্য আৰু দায়িত্বৰ শপতবাক্য পাঠ কৰায়। দীক্ষান্ত ভাষণত ৰাজ্যপাল আচাৰ্যই ১৬ শতিকাৰ মহান বীৰ লাচিত বৰফুকনৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ দেশ আৰু ৰাজ্যৰ সেৱা কৰি যাবলৈ জোৱানসকলক আহ্বান জনায়। কৰ্তব্য নিষ্ঠাৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধ হৈ কাম কৰি যাবলৈ তেওঁ নৱনিযুক্ত জোৱানসকলক পৰামৰ্শ দিয়ে। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত মণিপুৰ আৰক্ষীৰ এই জোৱানসকলক আধুনিক প্ৰশিক্ষণ দিয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয় আৰু দুয়োখন ৰাজ্যৰ আৰক্ষী বাহিনীয়ে অদূৰ ভৱিষ্যতে অধিক সহযোগিতাৰে কাম কৰি যাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। দীক্ষান্ত সমাৰোহত ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং, সাংসদ কামাখ্যা প্ৰসাদ তাছা, কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী আৰু অসম আৰু মণিপুৰ আৰক্ষীৰ ভালেকেইগৰাকী উচ্চ পদস্থ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আৰু সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ সহযোগত কোচবিহাৰৰ মধুপুৰ সত্ৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মধুপুৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ সৈতে সংগতি ৰাখি কাইলৈ সাহিত্য বিষয়ক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেব গোস্বামী এই আলোচনাচক্ৰখন উদ্বোধন কৰিব। অসমৰ লগতে ওড়িশা আৰু পশ্চিমবংগৰ ভালেসংখ্যক বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যিকে এই আলোচনাচক্ৰত অংশ ল'ব। পৰহিলৈ ভাগৱত শোভাযাত্ৰা, পালনাম সমাৰোহৰ লগতে থিয়নাম অনুষ্ঠিত হ'ব। বিয়লি ভাগত হ'বলগীয়া মুকলি সভাত বৰপেটা সত্ৰৰ নৱনিৰ্বাচিত বুঢ়াসত্ৰীয়া ড০ বাবুল দাসক অভিনন্দন জনোৱাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া যোৰহাটৰ নৃ-গোষ্ঠীয় সাংস্কৃতিক মঞ্চই সীতাহৰণ, বালিবধ ভাওনা প্ৰদৰ্শন কৰিব।

০০০০০

সমাপ্ত